# পঞ্জাব নেচনেল বেংক লিমিটেড
# বনাম-
# বেংকটোৰ কৰ্মচাৰীবৃন্দ

[মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী, ন্যায়াধীশ মুখাৰজিয়া, ন্যায়াধীশ এচ্ আৰ্ দাস, ন্যায়াধীশ গুলাম হাচান আৰু ন্যায়াধীশ ভাগৱতী]

<u>(দেৱানী আপীল নং ১৮১  চন ১৯৫২)</u>

*ঔদ্যোগিক বিবাদ আইন, ১৯৪৭, ধাৰা ৩৩- ঔদ্যোগিক বিবাদ- ন্যায়াধিকৰণত গোচৰ দাখিল- নতুন বিষয়ৰ ভিত্তিত ধৰ্মঘট- ন্যায়াধিকৰণত গোচৰ চলি থকা সময়ত ধৰ্মঘটকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা- বৈধতা- ধাৰা ৩৩ৰ পৰিসৰ।*

বেংক আৰু ইয়াৰ কৰ্মচাৰীৰ সংঘই প্ৰতিনিধিত্ব কৰা শ্ৰমিকসকলৰ মাজত হোৱা কিছুমান বিবাদৰ সৈতে জড়িত গোচৰ ঔদ্যোগিক ন্যায়াধিকৰণৰ সন্মুখত চলি থকাৰ সময়তে উত্তৰদাতাসকলে হাজাৰৰো অধিক শ্ৰমিকৰ সৈতে নতুন বিবাদৰ সৈতে জড়িত সাধাৰণ ধৰ্মঘট আৰম্ভ কৰে। ধৰ্মঘটকাৰীসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয় আৰু আন এখন ন্যায়াধিকৰণত গোচৰ দাখিল কৰাত সেই ন্যায়াধিকৰণে শ্ৰমিকসকলৰ ধৰ্মঘট অবৈধ আৰু শ্ৰমিকসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো বৈধ বুলি ৰায় দিয়ে। শ্ৰমিক ন্যায়াধিকৰণে আপীলত ৰায় দিছিল যে যদিও ধৰ্মঘট অবৈধ আছিল বেংকে ইয়াক ক্ষমা কৰিছে আৰু সেয়েহে চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো অবৈধ আৰু পৰৱৰ্তী আপীলত পুনৰ নিযুক্তিৰ নিৰ্দেশ দিছে ।

*বিচাৰ কৰা হৈছিলঃ* ধৰ্মঘটটো অবৈধ আৰু বেংকে ইয়াক ক্ষমা কৰা নাছিল বুলি ধৰি ললেও, যিহেতু ঔদ্যোগিক বিবাদ আইন, ১৯৪৭-ৰ ধাৰা ৩৩-ৰ অধীনত এটা ঔদ্যোগিক বিবাদৰ সন্দৰ্ভত বেংক আৰু ইয়াৰ শ্ৰমিকসকলৰ মাজত আন এখন ন্যায়াধিকৰণত গোচৰ চলি আছিল, সেই ন্যায়াধিকৰণৰ লিখিত অনুমতি অবিহনে

বেংকে শ্ৰমিকসকলক বৰ্খাস্ত কৰিব নোৱাৰে আৰু সেয়েহে বেংকে ন্যায়াধিকৰণৰ লিখিত অনুমতি নোলোৱাকৈ শ্ৰমিকসকলক বৰ্খাস্ত কৰাটো অবৈধ আছিল। ঔদ্যোগিক বিবাদ আইন, ১৯৪৭-ৰ ৩৩নং ধাৰাটো ধৰ্মঘট আৰু লক-আউটৰ ক্ষেত্ৰতো প্ৰযোজ্য, যদিও ই আইনখনৰ পঞ্চম অধ্যায়ত দেখা নাযায় যাৰ শীৰ্ষক হৈছে "ধৰ্মঘট আৰু লকআউট" কিন্তু সপ্তম অধ্যায়ত দেখা যায় যাৰ শীৰ্ষক হৈছে "বিবিধ"।

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: আবেদন নং ১৮১ চন ১৯৫২।**

১৯৫২ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে দিল্লীৰ ঔদ্যোগিক ন্যায়াধিকৰণৰ অধ্যক্ষই প্ৰদান কৰা ৰায়ৰ বিৰুদ্ধে দাখিল কৰা আপীল নং কেল. ৩৬৬/৫১, কেল. ৬৯/৫২ আৰু কেল. ৭০/৫২ অত কলিকতাস্থিত ভাৰতীয় শ্ৰম আপীল ন্যায়াধিকৰণে ১৯৫২ চনৰ ২২ ডিচেম্বৰত প্ৰদান কৰা সিদ্ধান্তৰ বিৰুদ্ধে ১৯৫২ চনৰ ১৬ অক্টোবৰত উচ্চতম ন্যায়ালয়ৰ বিশেষ অনুমতি প্ৰাপ্তিৰে এই আপীল দাখিল কৰা হৈছে।

আপীলকাৰীক প্ৰতিনিধিত্ব কৰে- ভাৰতৰ এটৰ্নী জেনেৰেল এম. চি. চেটালভাদ আৰু এন. চি. চেটাৰ্জী (তেওঁলোকক সহযোগ কৰে বি. এল. আগৰৱাল)

উত্তৰদাতাসকলৰ বাবে- এ.এছ.বি. চাৰি আৰু হাৰ্ডিয়াল হাৰ্ডি।

আদালতৰ ৰায় প্ৰদান কৰা হৈছিল ১৯৫৩ চনৰ ১০ এপ্ৰিলত।

***মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী –***

এয়া হৈছে ভাৰতৰ শ্ৰম আপীল ন্যায়াধিকৰণ, কলিকতাৰ ২২ ছেপ্টেম্বৰ, ১৯৫২ তাৰিখৰ ৰায়ৰ বিৰুদ্ধে বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এক আপীল, যি ৰায়ৰ জৰিয়তে শ্ৰম আপীল ন্যায়াধিকৰণে আপীলকাৰী পঞ্জাৱ নেচনেল বেংক

লিমিটেড, দিল্লী (ইয়াৰ পিছত বেংক বুলি উল্লেখ কৰা হব) আৰু ইয়াৰ কৰ্মচাৰীসকলৰ মাজত হোৱা কিছুমান বিবাদৰ ওপৰত সিদ্ধান্ত লোৱাৰ বাবে গঠন কৰা ঔদ্যোগিক ন্যায়াধিকৰণৰ ৯ ফেব্ৰুৱাৰী, ১৯৫২ তাৰিখৰ এটা ৰায় বাতিল কৰে। উত্তৰদাতাসকলক তেওঁলোকৰ ইউনিয়নে প্ৰতিনিধিত্ব কৰিছে। এই আপীল দাখিল কৰিবলগীয়া তথ্যসমূহ চমুকৈ উল্লেখ কৰা হল। ১৯৫০ চনৰ ২১ ফেব্ৰুৱাৰীত পক্ষসমূহৰ মাজত হোৱা আন কেইবাটাও বিবাদ ইতিমধ্যে শ্ৰী কে. এছ. কেম্পবেল পুৰীয়ে সভাপতিত্ব কৰা আন এখন ঔদ্যোগিক ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰা হৈছিল আৰু উক্ত ন্যায়াধিকৰণৰ সন্মুখত গোচৰসমূহ বিচাৰাধীন হৈ থকাৰ সময়ত বেংকে অভিযোগ কৰিছিল যে উত্তৰদাতাসকলৰ লগতে অন্যান্য শ্ৰমিকসকলে ১৯৫১ চনৰ ১৮ এপ্ৰিলত নতুন বিবাদৰ সৈতে জড়িত বিষয় লৈ অবৈধভাৱে সাধাৰণ ধৰ্মঘট আৰম্ভ কৰিছিল । ইয়াৰ পিছত ধৰ্মঘটকাৰীসকলক জাননী জাৰি কৰা হয় যে যদি ১৯৫১ চনৰ ২৪ এপ্ৰিলৰ ভিতৰত তেওঁলোকে কামলৈ ঘূৰি নাহে তেন্তে তেওঁলোকক স্বইচ্ছাই কাম এৰি যোৱা বুলি গণ্য কৰা হ'ব। সেই জাননী ধৰ্মঘটকাৰীসকলে আওকাণ কৰাত ১৯৫১ চনৰ ২৭ এপ্ৰিলত তেওঁলোকক দ্বিতীয়খন জাননী জাৰি কৰি তেওঁলোকক কাম কৰাটো বন্ধ কৰি দিয়া হয়। ইয়াৰ পিছত ভাৰত চৰকাৰে হস্তক্ষেপ কৰিলে, আৰু চৰকাৰী বিষয়া আৰু বেংকৰ মাজত হোৱা আলোচনাৰ ফলস্বৰূপে ধৰ্মঘটৰ পূৰ্বে আৰু ধৰ্মঘটৰ সময়ত বিধ্বংসী কাৰ্যকলাপ আৰু অন্যান্য আপত্তিজনক আৰু অবৈধ আচৰণ কৰা ১৫০ জন কৰ্মচাৰীৰ বাহিৰে বাকী সকলো কৰ্মচাৰীকে বেংকে ঘূৰাই ল'বলৈ সন্মত হয়। ১৯৫১ চনৰ ২ জুলাইত ভাৰত চৰকাৰে পূৰ্বতে উল্লেখ কৰা ১৫০ জন কৰ্মচাৰীৰ চাকৰি বৰ্খাস্ত আদি সম্পৰ্কীয় বিবাদসমূহৰ সিদ্ধান্ত ল'বলৈ এখন ন্যায়াধিকৰণ গঠন কৰে, আৰু সেই ন্যায়াধিকৰণে গোচৰৰ পক্ষসমূহক তেওঁলোকৰ বক্তব্য দিবলৈ মাতি আনে আৰু শুনানি গ্ৰহণ কৰি ১৯৫১ চনৰ ৯ ফেব্ৰুৱাৰীত তেওঁলোকক পুনসংস্থাপন কৰাটো

অগ্ৰাজ্য কৰি এক ৰায়দান প্ৰদান কৰিছিল একমাত্ৰ এইটো ভিত্তিত যে উত্তৰদাতাসকলে ঔদ্যোগিক বিবাদ আইন, ২০১৯ ৰ ধাৰা ২৩(খ) উলংঘা কৰি অবৈধভাৱে ধৰ্মঘট কৰিছিল আৰু বেংকে তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ অধিকাৰ আছিল । অৱশ্যে ন্যায়াধিকৰণে উত্তৰদাতাসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ তাৰিখৰ পৰা ন্যায়াধিকৰণৰ ৰায়দান প্ৰদান কৰা তাৰিখলৈকে আধা হাৰত দৰমহা আৰু ভাট্টা হিচাপে ক্ষতিপূৰণ দিয়াৰো ৰায় দিয়ে ।

উত্তৰদাতাসকলে কলিকতাৰ শ্ৰম আপীল ন্যায়াধিকৰণৰ ওচৰত আপীল কৰিছিল আৰু আপীল ন্যায়াধিকৰণে ঔদ্যোগিক ন্যায়াধিকৰণৰ সৈতে সন্মত হয় যে এই ধৰ্মঘট অবৈধ আছিল আৰু যিহেতু বেঙ্কে ইয়াক ক্ষমা কৰিছে সেয়েহে তেওঁলোকে অবৈধ ধৰ্মঘটত অংশগ্ৰহণ কৰা বুলি উত্তৰদাতাসকলক বৰ্খাস্ত কৰাৰ বৈধ্যতাৰ বিষয়টো বিচাৰ কৰাৰ বাবে ইয়াৰ বাবে মুকলি হৈ থকা নাই। আপীল ন্যায়াধিকৰণে আৰু কয় যে উত্তৰদাতাসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো অন্যায় হৈছে কাৰণ তেওঁলোকৰ কোনো এজনৰ বিৰুদ্ধে তেওঁলোকে হিংসাত্মক কাৰ্য্য বা বিধ্বংসী কাৰ্যকলাপ কৰা সন্দৰ্ভত কোনো অভিযোগ উত্থাপন কৰা হোৱা নাছিল আৰু তেওঁলোকক কোনো জৱাব দাখিলৰ আহ্বান জনোৱা হোৱা নাছিল। সেই অনুসৰি আপীল ন্যায়াধিকৰণে নিজৰ আদেশত উল্লেখ কৰা কিছুমান নিৰ্দিষ্ট কথাৰ ওপৰত অধিক প্ৰমাণৰ প্ৰয়োজন আছে বুলি ভাবিছিল আৰু এনে প্ৰমাণ লোৱাৰ পিছতহে প্ৰতিবাদীসকল পুনৰ নিযুক্তিৰ অধিকাৰী হয় নে নহয় সেই সম্পৰ্কে নিজৰ সিদ্ধান্ত সংৰক্ষিত ৰাখিছিল। বেঙ্কক প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তাই এই আবেদনৰ সমৰ্থনত দুই ধৰণৰ যুক্তি আগবঢ়াইছিল। তেওঁ এই সিদ্ধান্তৰ শুদ্ধতাক প্ৰত্যাহ্বান জনাই কৈছিল যে বেঙ্কে গোচৰটোৰ পৰিস্থিতিত উত্তৰদাতাসকলৰ অবৈধ ধৰ্মঘটক ক্ষমা কৰিছিল, আৰু এইটো বজাই ৰাখিছিল যে উত্তৰদাতাসকলক বৰ্খাস্ত কৰাটোক বৈধ্যতা দিবলৈ অবৈধ ধৰ্মঘটৰ ওপৰত নিৰ্ভৰ কৰাটো বেঙ্কৰ বাবে

মুকলি আছিল। সেই ভিত্তিত বিদ্বান অধিবক্তাই যুক্তি দিছিল যে প্ৰতিবাদীসকলক বেংকৰ সেৱাত পুনৰ নিযুক্তি দিয়াৰ কোনো প্ৰশ্ন উত্থাপন হ'ব নোৱাৰে কাৰণ এনে পুনৰ নিযুক্তিয়ে আইনগতভাৱে বেংকক এই উত্তৰদাতাসকলক নতুনকৈ নিজৰ সেৱাত নিয়োগ কৰিবলৈ বাধ্য কৰাৰ সমান হ'ব, যিটো আপীল ন্যায়াধিকৰণৰ অধিকাৰক্ষেত্ৰৰ পৰিসৰৰ ভিতৰত নপৰে । সেই অনুসৰি তেওঁ যুক্তি দিছিল যে এই আদালতে ১৯৫২ চনৰ ২২ ছেপ্টেম্বৰৰ শ্ৰম আপীল ন্যায়াধিকৰণৰ আদেশ বাতিল কৰি উক্ত আদেশৰ দ্বাৰা নিৰ্দেশিত পৰৱৰ্তী অনুসন্ধানক পৰিহাৰ কৰিব লাগে ।

আমি অবৈধ ধৰ্মঘটৰ বাবে শ্ৰমিকসকলৰ দোষ মাৰ্জনা কৰা বা ৰেহাই দিয়াৰ প্ৰশ্নৰ ওপৰত যিকোনো মতামত প্ৰকাশ কৰাটো অপ্ৰয়োজনীয় বুলি বিবেচনা কৰো; কাৰণ এনে কোনো ধৰণৰ দোষ মাৰ্জনা বা ৰেহাই নাই আৰু উত্তৰদাতাসকলক বৰ্খাস্ত কৰাৰ বাবে বৈধ ভিত্তি হিচাপে অবৈধ ধৰ্মঘটৰ ওপৰত নিৰ্ভৰ কৰাটো বেঙ্কৰ বাবে মুকলি আছিল বুলি ধৰি ললেও আমি অভিমত পোষণ কৰিছো যে উত্তৰদাতাসকলৰ পুনসংস্থাপনৰ নিৰ্দেশ দিয়াৰ আপীল ন্যায়াধিকৰণৰ কোনো অধিকাৰ নাই বুলি আগবঢ়োৱা পৰৱৰ্তী যুক্তিৰ এটা চমু উত্তৰ ঔদ্যোগিক বিবাদ আইন, ১৯৪৭-ৰ ধাৰা ৩৩-ত প্ৰদান কৰা হৈছে। সেই ধাৰাত অন্যান্য বিষয়ৰ লগতে উল্লেখ কৰা হৈছে যে কোনো নিয়োগকৰ্তাই কোনো ঔদ্যোগিক বিবাদৰ সন্দৰ্ভত ন্যায়াধিকৰণৰ সন্মুখত কোনো গোচৰ চলি থকাৰ সময়ত ন্যায়াধিকৰণৰ লিখিত অনুমতি অবিহনে বিবাদৰ সৈতে জড়িত কোনো শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব নোৱাৰিব। এইটো স্বীকাৰ্য্য যে তেনে কোনো অনুমতি লাভ কৰা হোৱা নাছিল। যদি আইনখনৰ ২৩(খ) ধাৰা অনুসৰি শ্ৰী কেম্পবেল-পুৰীয়ে সভাপতিত্ব কৰা ন্যায়াধিকৰণত গোচৰসমূহৰ বিচাৰকালীন অৱস্থাত উত্তৰদাতাসকলে কৰা ধৰ্মঘট অবৈধ আছিল, তেন্তে ৩৩ নং ধাৰা অনুসৰি তেওঁৰ অনুমতি নোলোৱাকৈ বেংকে উত্তৰদাতাসকল চাকৰিৰ পৰা বৰ্খাস্ত কৰাটোও অবৈধ

আছিল। আমি এটৰ্নি জেনেৰেলৰ যুক্তিত কোনো জোৰ দেখা নাপাওঁ যে এই ধাৰাটো গোচৰটোৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় কিয়নো ধৰ্মঘট আৰু লক-আউটবোৰ এক পৃথক অধ্যায়, পঞ্চম অধ্যায়ৰ অন্তৰ্ভুক্ত, আৰু যিহেতু উত্তৰদাতাসকল শ্ৰী কেম্পবেল-পুৰীৰ সন্মুখত বিচাৰাধীন হৈ থকা বিবাদবোৰৰ বিষয়ে চিন্তিত নাছিল। ধাৰা ৩৩ৰ নিয়মসমূহ বহল পৰিসৰৰ আৰু বৰ্তমানৰ গোচৰটোৰ ক্ষেত্ৰতো প্ৰযোজ্য আৰু এই ধাৰাটো সপ্তম অধ্যায়ৰ "বিবিধ" শীৰ্ষত অন্তৰ্ভুক্ত হৈ থাকিলেও ইয়াৰ অৰ্থ এইটো নহয় যে ই কেৱল নিৰ্দিষ্ট পৰিস্থিতিৰ ক্ষেত্ৰতহে প্ৰযোজ্য । ইয়াৰ উদ্দেশ্য হৈছে ৰেহাই দিয়া সকলো ক্ষেত্ৰৰে গোচৰত ই প্ৰাসংগিক যাৰ কাৰণ যিয়েই নহওক কিয়। এইটো ১৯৫০ চনৰ XLVIII নং আইনৰ দ্বাৰা ধাৰাটোৰ শেহতীয়া সংশোধনৰ দ্বাৰা দেখুওৱা হৈছে যিয়ে নতুনকৈ সংলগ্ন কৰা ধাৰাত "বিবাদৰ সৈতে সম্পৰ্কিত নোহোৱা অসদাচৰণৰ বাহিৰে" শব্দবোৰ বাদ দিছে। এয়াও সমানে স্পষ্ট যে উত্তৰদাতাসকল শ্ৰী কেম্পবেল-পুৰীৰ সন্মুখত বিচাৰাধীন হৈ থকা বিবাদবোৰৰ বাবে চিন্তিত, কিয়নো এইটো স্বীকাৰ কৰা হৈছে যে তেওঁৰ দ্বাৰা দিয়া যিকোনো ৰায় উত্তৰদাতাসকলৰ ওপৰতো প্ৰযোজ্য হ'ব। ধাৰা ৩৩ এনেদৰে গোচৰটোত প্ৰযোজ্য হোৱাৰ বাবে বেঙ্কৰ যুক্তি যে উত্তৰদাতাসকলক বৰ্খাস্ত কৰাটো বৈধ আছিল আৰু ইয়াৰ ফলস্বৰূপে আপীল ন্যায়াধিকৰণৰ তেওঁলোকক পুনৰ্স্থাপনৰ বাবে নিৰ্দেশ দিয়াৰ কোনো অধিকাৰ নাছিল।

সেয়েহে আমি শ্ৰম আপীল ন্যায়াধিকৰণে দিয়া আদেশত হস্তক্ষেপ কৰাৰ কোনো কাৰণ দেখা নাই আৰু সেই অনুসৰি আমি এই আপীল খৰচৰ সৈতে খাৰিজ কৰোঁ।

আপীল খাৰিজ কৰা হৈছে।

আপীলকাৰীৰ হৈ প্ৰতিনিধি : গণপত ৰায়।

উত্তৰদাতাৰ বাবে প্ৰতিনিধি : ভি.পি.কে. নাম্বিয়াৰ

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)